বিশেষ্যৰ পৰা বিশেষণ ঃ - ঈ ঃ কপাহ - ঈ > কপাহী

আকৌ কেতিয়াবা একেটা শ্ৰেণীতে থাকিব পাৰে; যেনে — ধাতু প্ৰকৃতিৰ পৰা ধাতু শব্দ অৰ্থাৎ অকৰ্মক ধাতুৰ পৰা সকৰ্মক ধাতু বা সকৰ্মক ধাতুৰ পৰা পাঁচনী ধাতু পাব পাৰি। যেনে -

ধাতুৰ পৰা ধাতু ঃ √ দেখ্ - উৱা > দেখুৱা

√ বহ্ - উৱা > বহুৱা

বিশেষ্যৰ পৰা বিশেষ্য ঃ - অনি ঃ ধান - অনি > ধাননি

বন - অনি > বননি

➢ *বিভক্তিমূলক সৰ্গ* ঃ যিবোৰ সৰ্গই শব্দৰ ৰূপৰ পৰিবৰ্তন ঘটাই বাক্যত ব্যৱহাৰৰ উপযোগী কৰি তোলে, সেইবোৰেই বিভক্তিমূলক সৰ্গ। যেনে— 'মানুহ' এই নাম শব্দটোৰ লগত -এ, -অক, -অৰ, -অলৈ, -অত আদি সৰ্গবোৰ লগলগাই আমি বিভিন্ন ধৰণে বিভিন্ন বাক্যত ব্যৱহাৰ কৰিব পাৰোঁ।

মানুহে ভাত খায়।

মানুহৰ বাবে গছ।

মানুহলৈ নদলিয়াবা।

বিভক্তিমূলক সৰ্গসমূহক দুই ভাগত ভগাব পাৰি— বাক্যবিন্যাসগত সৰ্গ আৰু বিশেষ অৰ্থগত সৰ্গ

○ বাক্যবিন্যাসগত ঃ যিবিলাক বিভক্তিমূলক সৰ্গৰ ওপৰত বাক্যৰ গাঁথনি নিৰ্ভৰশীল বা যিবিলাক বিভক্তিমূলক সৰ্গ নাথাকিলে বাক্যৰ গাঁথনি বিপৰ্যস্ত হয়, সেইবিলাকেই বাক্যবিন্যাসগত সৰ্গ। শব্দবিভক্তি, ক্ৰিয়াবিভক্তি, পুৰুষবাচক বিভক্তি, অসমাপিকা আদি বাক্যবিন্যাসগত। যেনে—

মই কিতাপ পঢ়োঁ।

আমি কিতাপ পঢ়োঁ।

○ বিশেষ অৰ্থগত সৰ্গ ঃ যিবোৰ বিভক্তিমূলক সৰ্গ বাক্যৰ পৰা আঁতৰাই আনিলে বাক্যৰ গাঁথনি বিপৰ্যস্ত নহয়; সেইবোৰেই বিশেষ অৰ্থগত সৰ্গ। বিশেষ অৰ্থগত সৰ্গই বাক্যত অতিৰিক্ত অৰ্থহে দান কৰে; বাক্যৰ গাঁথনিৰ ওপৰত সিমান প্ৰভাৱ বিস্তাৰ নকৰে। নিৰ্দিষ্টতাবাচক প্ৰত্যয়, অনিৰ্দিষ্টতাবাচক প্ৰত্যয়, বহুবচনাত্মক প্ৰত্যয় আদি বিশেষ অৰ্থগত প্ৰত্যয়। যেনে—

দেউতা আহিল।

দেউতাহঁত আহিল।